দিশ হ'ল ভৱিষ্যতৰ সম্ভাৱনীয়তা। কিছুমান পাঠ্যক্ৰমৰ চাহিদা আগলৈ যথেষ্ট বৃদ্ধি পাব পাৰে আৰু কেতবোৰ পাঠ্যক্ৰমৰ চাহিদা ভৱিষ্যতলৈ কমিব পাৰে। কেৰিয়াৰ নিৰ্বাচনৰ সময়ত শিক্ষাৰ্থী এগৰাকীয়ে আগ্ৰহৰ সৈতে কিছু তৰা-ধৰা কৰিও চাহিদা বাঢ়িব পৰা কেৰিয়াৰ এটা নিৰ্বাচন কৰিব লগা হ'ব পাৰে।

উল্লিখিত দিশবোৰৰ লগতে কেৰিয়াৰ নিৰ্বাচন প্ৰক্ৰিয়াত মন কৰিবলগীয়া আন কেতবোৰ দিশ হ'ল ভৌগোলিক অৱস্থান, পৰিয়ালৰ ভূমিকা, সামাজিক অৱস্থা আৰু অৰ্থনৈতিক ব্যৱস্থা। পিছে এইবোৰ বৰ গুৰুত্বপূৰ্ণ নহয়। এক সফল আৰু আদৰ্শ কেৰিয়াৰ নিৰ্বাচন কৰি সফলতাৰ সোৱাদ লাভ কৰিবৰ বাবে আটাইতকৈ প্ৰয়োজনীয় গুণটো হ'ল ইচ্ছা। ইচ্ছা থাকিলে উপায় ওলাবই।

### দক্ষতা বিকাশ আৰু আমাৰ যুৱ সমাজ

ইংৰাজী শব্দ Skill ৰ অসমীয়া প্ৰতিশব্দ হ'ল দক্ষতা। গতিকে Skill Developmentক আমি অসমীয়াত 'দক্ষতা বিকাশ' বুলিও ক'ব পাৰো। দক্ষতা প্ৰতিগৰাকী মানুহৰ মাজতেই থাকে। কিছুমান 'গুণ' বা 'দক্ষতা' মানুহে জন্মৰ পৰাই স্বতঃস্ফূৰ্তভাৱে আহৰণ কৰে। এইবোৰ দক্ষতা বা গুণাৱলীক ঈশ্বৰ প্ৰদত্ত, জন্মগত দক্ষতা বুলিব পাৰি। পৃথিৱীৰ প্ৰতিগৰাকী ব্যক্তিৰে ইচ্ছা, আগ্ৰহ, ব্যক্তিত্ব পৃথক পৃথক হয়। কোনোবাই হয়তো খেলি ভাল পায়, আন কোনোৱে হয়তো নাচি ভাল পায়। ইচ্ছা, আগ্ৰহ পৃথক পৃথক হোৱাৰ নিচিনাকৈ প্ৰতিগৰাকী মানুহৰ দক্ষতাও পৃথক পৃথক হয়। কিন্তু কোনোধৰণৰে দক্ষতা নতুন গুণাৱলী নথকা মানুহৰ অৱস্থিতি হ'ল এক ভ্ৰান্ত ধাৰণা। প্ৰতিগৰাকী ব্যক্তিৰ মাজতে বিশেষ একোটা 'গুণ' বা 'দক্ষতা' বা 'শিল্প' লুকাই আছে বাবেই ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে কৈছিল প্ৰতিগৰাকী মানুহেই একোজন শিল্পী। পিছে গুৰুত্বপূৰ্ণ কথা হ'ল প্ৰতিগৰাকী ব্যক্তিৰ মাজত লুকাই থকা 'শিল্প' বা 'দক্ষতা'টোক আমি বিকাশ ঘটাব লাগিব যাতে ই মানৱ সমাজৰ প্ৰয়োজনত ব্যৱহাৰ উপযোগী হয় আৰু এক সমাজ স্বীকৃত, লাভজনক বৃত্তি হ'ব পাৰে। অৰ্থাৎ দক্ষতা থাকিলেই নহ'ব সমাজ আৰু নিজৰ স্বাৰ্থত আমাৰ মাজৰ, দক্ষতাসমূহক আমি উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণৰ দ্বাৰা বিকাশ ঘটাব লাগিব। সেয়েহে Skill Development বা দক্ষতা বিকাশ হ'ল বৰ্তমান সময়ত বিশদভাৱে আলোচিত এক বিষয়।

### ৰাষ্ট্ৰীয় দক্ষতা বিকাশ অভিযান

দক্ষতা বিকাশৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰা অইন এক শীৰ্ষ স্থানীয় অনুষ্ঠান হ'ল, ২০০৯ চনৰ ২০ অক্টোবৰত সেই সময়ৰ ভাৰতৰ বিত্তমন্ত্ৰী প্ৰণৱ মুখাৰ্জীদেৱে মুকলি কৰা National Skill Development Corporation বা ৰাষ্ট্ৰীয় দক্ষতা বিকাশ নিগম। পাব্লিক প্ৰাইভেট পাৰ্টনাৰশ্বিপৰ দ্বাৰা গঠিত ই হ'ল অনন্য স্বতন্ত্ৰ অনুষ্ঠান। ২৯০ টা প্ৰশিক্ষণ সহযোগী আৰু প্ৰায় চাৰে চাৰি হাজাৰ প্ৰশিক্ষণ কেন্দ্ৰ থকা NSDC য়ে আজিলৈকে নবৈ লাখৰো অধিক ভাৰতীয় যুৱক-যুৱতীক দক্ষতা বিকাশৰ প্ৰশিক্ষণ দিছে। অসমকে ধৰি সমগ্ৰ দেশতে NSDC ৰ স্বীকৃতিপ্ৰাপ্ত প্ৰশিক্ষণ সহযোগী আৰু প্ৰশিক্ষণ কেন্দ্ৰ আছে। এই প্ৰশিক্ষণ কেন্দ্ৰবোৰৰ দ্বাৰা আমাৰ অসমৰ যুৱক-যুৱতীসকলে কেনেকৈনো প্ৰশিক্ষণ ল'ব পাৰিব—এইবোৰ তথ্য অহা সংখ্যাৰ পৰা ধাৰাবাহিকভাৱে আমি প্ৰকাশ কৰিম। অধিক তথ্যৰ বাবে চাব পাৰে www.nsdcindia.org

### নিয়োগ সৃষ্টি অভিযান, অসম ঃ

নিয়োগ সৃষ্টি অভিযান, অসম বা Employment Generation Mission (EGM), Assam হ'ল দক্ষতা বিকাশৰ ক্ষেত্ৰত, ৰাজ্যৰ চৰকাৰী খণ্ডত আটাইতকৈ গুৰুত্বপূৰ্ণ অনুষ্ঠান। ই হ'ল পঞ্জীয়নকৃত এক স্বতন্ত্ৰ অনুষ্ঠান। ৰাজ্য চৰকাৰৰ দক্ষতা বিকাশৰ আঁচনিসমূহ ঘাইকৈ এইটো অভিযানৰ দ্বাৰাই ৰূপায়িত হয়। নিয়োগ সৃষ্টি অভিযান, অসমে ৰাজ্যখনত আৰু সমাজত চাহিদা থকা বৃত্তিসমূহৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ক্ষেত্ৰত দক্ষতা বিকাশৰ প্ৰাৰম্ভিক স্তৰৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰে। বিভিন্ন প্ৰশিক্ষণ কাৰ্যসূচীসমূহ সেয়েহে দুমাহৰ পৰা তিনিমাহ দৈৰ্ঘ্যৰ হয় আৰু প্ৰশিক্ষণৰ অন্তত অতি কমেও ৮০ শতাংশ প্ৰশিক্ষাৰ্থীয়ে নিজ নিজ বৃত্তিত নিয়োজিত হোৱাটো নিশ্চিত কৰে। বহু চৰকাৰী আৰু বেচৰকাৰী প্ৰশিক্ষণ সহযোগীৰ দ্বাৰা পৰিচালিত বহু প্ৰশিক্ষণ কেন্দ্ৰ, সমগ্ৰ ৰাজ্যখনতে বিস্তৃত হৈ আছে। EGM, Assamৰ বিভিন্ন দক্ষতা বিকাশ কাৰ্যসূচী আৰু আবেদনৰ তথ্য আমি ধাৰাবাহিকভাৱে প্ৰকাশ কৰিম। অধিক তথ্যৰ বাবে চাব পাৰে www.egm.assam.gov.in.❐❐

*লেখক এগৰাকী কেৰিয়াৰ পৰামৰ্শদাতা*
*আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ পৰামৰ্শক*

## কেৰিয়াৰ প্ৰশ্নোত্তৰ

এইটো শিতানত শিক্ষাৰ্থী তথা অভিভাৱকসকলে শিক্ষা, পাঠ্যক্ৰম, শিক্ষানুষ্ঠান আৰু চাকৰিকে সাঙুৰি কেৰিয়াৰ সম্পৰ্কীয় সকলোধৰণৰ প্ৰশ্নৰ সমিধান বিচাৰি আমালৈ লিখিব পাৰিব। আমালৈ প্ৰশ্ন পঠোৱাৰ ঠিকনা দিয়া হৈছে—

কেৰিয়াৰ, ৰাইজৰ বাতৰি
দ্বাৰকা পথ
ঘৰ নং ১, দ্বিতীয় মহলা
হাতীগাঁও মূলপথ
গুৱাহাটী-৩৮ ।
E-mail - raijarbatori@gmail.com ।

# ষ্টাফ ছিলেকচন কমিচনৰ পৰীক্ষাৰ প্ৰস্তুতি

কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ মন্ত্ৰালয় আৰু বিভাগসমূহত বিভিন্ন পদৰ চাকৰিত প্ৰাৰ্থী নিযুক্তিৰ বাবে বাছনি পৰীক্ষা অনুষ্ঠিত কৰা চৰকাৰী সংস্থাসমূহৰ অন্যতম হৈছে ষ্টাফ ছিলেকচন কমিচন। চমুকৈ এছ এছ চি নামেৰে পৰিচিত এই সংস্থাটোৱে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ মন্ত্ৰালয়, বিভাগ আৰু বিভিন্ন বিভাগৰ অধীনৰ কাৰ্যালয়সমূহত গ্ৰুপ-বি পদকে ধৰি বিভিন্ন ধৰণৰ পদত নিযুক্তিৰ বাবে সমগ্ৰ দেশজুৰি অনুষ্ঠিত কৰে কম্বাইন গ্ৰেজুৱেট লেভেল এক্জামিনেচন (চি জি এল ই)কে ধৰি একাধিক পৰীক্ষা। এছ এছ চিয়ে প্ৰতি বছৰে অনুষ্ঠিত কৰা কম্বাইণ্ড গ্ৰেজুৱেট লেভেল (চি জি এল) পৰীক্ষাত অৱতীৰ্ণ হয় সমগ্ৰ দেশত লক্ষাধিক প্ৰাৰ্থীয়ে। দেশৰ বিভিন্ন প্ৰান্তত একে সময়তে অনুষ্ঠিত এই পৰীক্ষাৰ সূচী বহু আগতীয়াকৈ ঘোষণা কৰা হয়। চলিত বৰ্ষত এছ এছ চিৰ চি জি এল পৰীক্ষা চাৰিটা পৰ্যায়ত অনুষ্ঠিত কৰা হ'ব। এই চাৰিটা পৰ্যায়ৰ পৰীক্ষাৰ প্ৰতিটোকেই একোটা 'টায়াৰ' বুলি কোৱা হয়। এই অনুসৰি প্ৰথম পৰ্যায়ৰ পৰা চতুৰ্থ পৰ্যায়লৈকে প্ৰাৰ্থী বাছনিৰ পৰীক্ষাকেইটাক ক্ৰমে— টায়াৰ-I, টায়াৰ-II, টায়াৰ-III, আৰু টায়াৰ-IV বুলি উল্লেখ কৰা হয়। টায়াৰ-I পৰীক্ষা হৈছে কম্পিউটাৰ ভিত্তিক। এই পৰীক্ষা চলিত বৰ্ষৰ ১৯ জুনৰ পৰা ২ জুলাইলৈকে সমগ্ৰ দেশজুৰি নিৰ্দিষ্ট কেন্দ্ৰত অনুষ্ঠিত হ'ব। এই পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলে অহা ৫ ছেপ্টেম্বৰৰ পৰা ৮ ছেপ্টেম্বৰলৈকে অনুষ্ঠিত হ'বলগীয়া টায়াৰ-II পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ যোগ্যতা অৰ্জন কৰিব। এই টায়াৰ-II পৰীক্ষা হ'ব অনলাইন মাধ্যমেৰে। ইয়াত উত্তীৰ্ণ প্ৰাৰ্থীসকলে টায়াৰ-III পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে যোগ্য বিবেচিত হ'ব। বৰ্ণনা তথা ব্যাখ্যাধৰ্মী এই টায়াৰ-III পৰীক্ষা অনুষ্ঠিত হ'ব চলিত বৰ্ষৰ ১২ নৱেম্বৰত। এই পৰীক্ষাত উত্তীৰ্ণ প্ৰাৰ্থীসকলক দক্ষতামূলক পৰীক্ষাৰ বাবে অৱতীৰ্ণ হ'ব লাগিব চলিত বৰ্ষৰ ডিচেম্বৰত অনুষ্ঠিত হ'বলগীয়া টায়াৰ-IV অৰ্থাৎ চূড়ান্ত পৰ্যায়ৰ পৰীক্ষাত।

এইবাৰ কেন্দ্ৰীয় ভিজিলেন্স আয়োগ, ইণ্টেলিজেন্স ব্যুৰো, ৰে'ল মন্ত্ৰালয়, বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়, কেন্দ্ৰীয় সচিবালয় সেৱাকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ বিভিন্ন বিভাগত প্ৰায় চাৰি হাজাৰ পদত নিযুক্তিৰ বাবে চি জি এল পৰীক্ষা অনুষ্ঠিত কৰিব এছ এছ চিয়ে। প্ৰাৰ্থীসকলে টায়াৰ-I, টায়াৰ-II আৰু টায়াৰ-III ৰ প্ৰত্যেকতে লাভ কৰা নম্বৰ যোগ কৰি পৰীক্ষাৰ ফলাফল ঘোষণা কৰা হ'ব। মেৰিট লিষ্টত উচ্চ ৰেংক পাবলৈ হ'লে প্ৰাৰ্থীসকলে প্ৰতিটো পৰীক্ষাতে অধিক নম্বৰ লাভ কৰিব লাগিব।

**পৰীক্ষাৰ সময় সূচী**

| পৰ্যায় | তাৰিখ |
|---|---|
| আবেদন পত্ৰৰ অনলাইন পঞ্জীয়নৰ আৰম্ভণি | ১১ মাৰ্চ, ২০১৭ |
| আবেদন পত্ৰ অনলাইন ৰেজিষ্ট্ৰেচনৰ সমাপ্তি | ১৫ এপ্ৰিল, ২০১৭ |
| অনলাইনযোগে মাচুল পৰিশোধ | ১১ মাৰ্চ- ১৫ এপ্ৰিল, ২০১৭ |
| এছ এছ চি চি জি এলৰ টায়াৰ-I পৰীক্ষাৰ প্ৰৱেশ পত্ৰ | এপ্ৰিল-মে', ২০১৭ |
| এছ এছ চি চি জি এল টায়াৰ-I পৰীক্ষাৰ তাৰিখ | ৯ জুন- ২ জুলাই, ২০১৭ |
| এছ এছ চি চি জি এল টায়াৰ-I পৰীক্ষাৰ ফলাফল | জুলাই-আগষ্ট, ২০১৭ |
| এছ এছ চি চি জি এল টায়াৰ-II পৰীক্ষাৰ তাৰিখ | ৫-৮ ছেপ্টেম্বৰ, ২০১৭ |
| টায়াৰ-II ৰ ফলাফল | ছেপ্টেম্বৰ-অক্টোবৰ, ২০১৭ |
| টায়াৰ-III পৰীক্ষাৰ তাৰিখ | ১২ নৱেম্বৰ, ২০১৭ |
| টায়াৰ-IV পৰীক্ষাৰ তাৰিখ | ডিচেম্বৰ, ২০১৭ |

**প্ৰাৰ্থীৰ যোগ্যতা ঃ**

চলিত বৰ্ষত এছ এছ চি চি জি এল পৰীক্ষাত অৱতীৰ্ণ হ'ব বিচৰা প্ৰাৰ্থীৰ বয়সৰ নূন্যতম সীমা ১৮ বছৰ হোৱাৰ লগতে স্নাতক ডিগ্ৰীধাৰী হ'ব লাগিব। প্ৰাৰ্থীয়ে আবেদন পত্ৰ অনলাইনযোগে দাখিল কৰিব লাগিব ১১ মাৰ্চৰ পৰা ১৫ এপ্ৰিলৰ ভিতৰত। অনলাইনযোগে পৰীক্ষাৰ বাবে নাম পঞ্জীয়ন কৰাৰ আগতে প্ৰাৰ্থীসকলে বিভিন্ন পদৰ ক্ষেত্ৰত বয়স আৰু শিক্ষাগত অৰ্হতা সন্দৰ্ভত ভালকৈ অৱগত হোৱাৰ বাবে পৰীক্ষা বিষয়ক সংশ্লিষ্ট জাননী ভালদৰে পঢ়ি লোৱাটো প্ৰয়োজন।

**পৰীক্ষাৰ বাবে প্ৰস্তুতি কেনেকৈ চলাব ?**

যিকোনো পৰীক্ষাত কৃতকাৰ্যতা অৰ্জনৰ বাবে অনুশীলন ভালদৰে

কৰাটো অত্যন্ত জৰুৰী। একেদৰে খৰ গতিৰে প্ৰশ্নৰ উত্তৰ লিখা, প্ৰতিটো বিষয় ভালদৰে আয়ত্ত কৰাটোও সফলতা অৰ্জনৰ বাবে দৰকাৰী কথা। প্ৰতি বছৰে সমগ্ৰ দেশতে লক্ষাধিক প্ৰাৰ্থীয়ে অৱতীৰ্ণ হোৱা এছ এছ চিৰ এই পৰীক্ষামূলক প্ৰতিযোগিতা অত্যন্ত কঠিন। সেয়েহে প্ৰাৰ্থীসকলে সঠিকভাৱে দিহা-পৰামৰ্শ লৈ অন্তঃকৰণেৰে কঠোৰ পৰিশ্ৰম কৰাটো বাঞ্ছনীয়।

**প্ৰস্তুতিৰ কৌশল ঃ**

- ❒ সাধাৰণ জ্ঞানৰ ওপৰত গুৰুত্ব।
- ❒ পূৰ্বৰ পৰীক্ষাৰ প্ৰশ্নকাকতৰ অনুশীলন।
- ❒ অধিক নম্বৰ লাভৰ সুযোগ থকা ৰিজনিঙত বিশেষ গুৰুত্ব।

এই প্ৰতিযোগিতামূলক পৰীক্ষা বিশেষভাৱে কঠিন যদিও সঠিকভাৱে তথা সঠিক দিশত অনুশীলন কৰিলে সাফল্যৰ সম্ভাৱনা বৃদ্ধি পাব। প্ৰাৰ্থীসকলে চাৰিটা বিশেষ দিশত গুৰুত্ব দিয়া প্ৰয়োজন।

- ❒ জেনেৰেল এৱাৰনেছ
- ❒ এপ্টিটিউড
- ❒ ইংৰাজী ব্যাকৰণ
- ❒ ৰিজনিং

**জেনেৰেল এৱাৰনেছ ঃ** ভালদৰে প্ৰস্তুতি চলালে জেনেৰেল এৱাৰনেছ শাখাত অধিক নম্বৰ লাভ কৰাটো সম্ভৱ। এই ভাষাত সাধাৰণ বিজ্ঞান, ভূগোল, কম্পিউটাৰ, সাম্প্ৰতিক ঘটনাপ্ৰবাহ আদিক সামৰি প্ৰশ্ন কৰা হয়। আনহাতে এপ্টিটিউটৰ ক্ষমতা বৃদ্ধিৰ বাবে অনুশীলন কৰিব লাগে। প্ৰথমখন প্ৰশ্ন কাকত (টায়াৰ-I) ৰ প্ৰশ্নসমূহ সহজে উত্তৰ দিব পৰা বিধৰ হয়। কিন্তু ২ নং প্ৰশ্ন কাকতত অধিক নম্বৰ লাভ কৰিবলৈ হ'লে প্ৰাৰ্থীসকলৰ উত্তৰ দিয়াৰ গতি খৰ হোৱাৰ লগতে সঠিক ৰূপত উত্তৰ দিব পৰাৰ দক্ষতা থকাটো প্ৰয়োজন। পূৰ্বৰ পৰীক্ষাৰ প্ৰশ্ন কাকত অনুশীলন কৰাৰ লগতে কোনোবোৰ দিশত তোমালোক দুৰ্বল, সেয়া উপলব্ধি কৰি সেই দুৰ্বলতা আঁতৰাবলৈ উপযুক্ত কিতাপ পঢ়ি অনুশীলন চলোৱা উচিত। নিজৰ দক্ষতা পৰীক্ষা কৰাৰ উদ্দেশ্যে একাধিক অনলাইন পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগে। ইংৰাজীৰ প্ৰশ্ন কাকতত ব্যাকৰণ সম্পৰ্কীয় প্ৰশ্নই থাকে ৬৫-৭০ শতাংশ। সেয়েহে প্ৰাৰ্থীসকলে ব্যাকৰণ সম্পৰ্কীয় বিভিন্ন প্ৰসংগ ভালদৰে অধ্যয়ন কৰাটো বাঞ্ছনীয়। ৰিজনিং সম্পৰ্কীয় প্ৰশ্নবোৰ অত্যন্ত সহজ। এই শিতানত প্ৰাৰ্থীয়ে ৯৫ শতাংশ নম্বৰ লাভ কৰিব পাৰে। প্ৰাৰ্থীসকলে পূৰ্বৰ পৰীক্ষাৰ প্ৰশ্ন কাকতত অহা ৰিজনিঙৰ প্ৰশ্নসমূহ ভালকৈ অনুশীলন কৰিলে সুফল পাব।

❒ প্ৰথম কথা হ'ল প্ৰাৰ্থীসকলে পৰীক্ষাই সামৰি লোৱা সকলো বিষয় ভালকৈ অধ্যয়ন কৰিব লাগিব আৰু পৰীক্ষাৰ ধৰণ সম্বন্ধে সঠিকভাৱে ধাৰণা কৰিব পাৰিব লাগিব। পৰীক্ষাই সামৰি লোৱা বিষয়সমূহৰ ভিতৰত নিজৰ বাবে কোনবোৰ সহজ আৰু কোনবোৰ কঠিন সেয়া নিৰ্ণয় কৰিব লাগিব। কঠিন বুলি ভবা বিষয়সমূহ ভালকৈ অধ্যয়ন কৰি সেই বিষয়সমূহত থকা নিজৰ দুৰ্বলতা আঁতৰোৱাৰ বাবে মনৰ মাজতে ভালকৈ পৰিকল্পনা কৰিব লাগিব।

❒ নিয়মীয়া অধ্যয়ন । পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে দিনটোৰ সময়খিনি ভগাই লৈ নিজে দুৰ্বল বুলি ভবা বিষয়সমূহৰ অনুশীলনৰ বাবে অধিক সময় খৰচ কৰিব লাগে। সকলো বিষয় সামৰি যাতে প্ৰস্তুতি সঠিকভাৱে হয়, তাৰ বাবে অধ্যয়নৰ বাবে সময় ঠিক কৰি লোৱাটো বাঞ্ছনীয়।

❒ পূৰ্বৰ পৰীক্ষাৰ প্ৰশ্ন কাকত ডাউনলোড কৰি নিয়মীয়াকৈ অনুশীলন কৰিব লাগে।

❒ বাতৰি কাকত নিয়মীয়াকৈ পঢ়িব লাগে।

**এছ এছ চিৰ পৰীক্ষাৰ জৰিয়তে লাভ কৰিব পৰা চাকৰি ঃ**

কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত থকা সকলো ধৰণৰ গ্ৰুপ-বি পদৰ লগতে নন-টেকনিকেল পদৰ চাকৰিৰ বাবে এছ এছ চি পৰীক্ষা অনুষ্ঠিত কৰে। এনে পৰীক্ষাৰ জৰিয়তে পাব পৰা বিভিন্ন চাকৰি এনেধৰণৰ—

- ❒ সহস্ৰ বাহিনীসমূহৰ মুখ্য কাৰ্যালয়/ ৰেলৰে ব'ৰ্ড সচিবালয়ত কেৰাণী পদৰ চাকৰি।
- ❒ বিভিন্ন বিভাগ আৰু মন্ত্ৰালয়ত সহকাৰী পৰ্যায়ৰ বিষয়া।
- ❒ চি বি আই আৰু অন্যান্য আৰক্ষী সংস্থাত উপ-পৰিদৰ্শক।
- ❒ বিভিন্ন কাৰ্যালয়ত ডিভিজনেল একাউনটেণ্ট, অডিটৰ আৰু একাউনটেণ্ট।
- ❒ চি পি ডব্লিউ ডিত কনিষ্ঠ অভিযন্তা (চিভিল আৰু ইলেক্ট্ৰিকেল)।
- ❒ ষ্টেটিষ্টিকেল ইনভেষ্টিগেটৰ গ্ৰেড-৪।
- ❒ চেণ্ট্ৰেল ব'ৰ্ড অব ডাইৰেক্ট টেক্স (চি বি ডি টি), চেণ্ট্ৰেল ব'ৰ্ড অব এক্সাইজ এণ্ড কাষ্টম (চি বি ই চি)ৰ কাৰ্যালয়ত টেক্স এছিচটেণ্ট।
- ❒ বিভিন্ন মন্ত্ৰালয়/ বিভাগত নিম্ন বৰ্গৰ কেৰাণী।

বিভিন্ন পদত নিযুক্তিৰ বাবে প্ৰাৰ্থী বাছনিৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ লগতে যাৱতীয় পৰীক্ষাৰে ইতিমধ্যে নিযুক্তি লাভ কৰা প্ৰাৰ্থীসকলৰ সময়ে সময়ে পদোন্নতিৰ পৰীক্ষাও অনুষ্ঠিত কৰে এছ এছ চিয়ে। এছ এছ চিৰ চি জি এল পৰীক্ষাৰ জৰিয়তে লাভ কৰা চাকৰিত দৰমহাৰ পৰা আৰম্ভ কৰি যাৱতীয় সা-সুবিধাসমূহ অত্যন্ত উচ্চমানৰ হোৱাৰ লগতে সেই চাকৰিবোৰত ভৱিষ্যতৰ উন্নতিৰ পথো অত্যন্ত উজ্জ্বল।

কেইটামান গুৰুত্বপূৰ্ণ কথা —

❒ সঠিক পৰামৰ্শ ঃ অত্যন্ত প্ৰতিযোগিতামূলক এই পৰীক্ষাত সফলতা অৰ্জন কৰাৰ বাবে কেনেকৈ পঢ়িব লাগিব, কি পঢ়িব লাগিব সেই বিষয়ে ভালদৰে জনাটো অত্যন্ত প্ৰয়োজন। তাৰ বাবে সঠিক পৰামৰ্শ জৰুৰী হৈ পৰে। এই সন্দৰ্ভত প্ৰতিটো বিষয়ৰ বিশেষজ্ঞ শিক্ষকৰ সৈতে আলোচনা কৰি দিহা-পৰামৰ্শ ল'ব লাগে।

❒ আত্মবিশ্বাস ঃ পৰীক্ষাৰ প্ৰস্তুতি তথা নিজৰ যোগ্যতা সন্দৰ্ভত বাস্তৱসন্মত পৰ্যালোচনা কৰাৰ লগতে কোনবোৰ দিশত নিজৰ যোগ্যতা বৃদ্ধিৰ প্ৰয়োজন, সেয়া নিৰ্ণয় কৰি ল'ব লাগে।

❒ অধ্যয়নৰ পৰিকল্পনা ঃ পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে সকলো বিষয় সামৰি অধ্যয়নৰ পৰিকল্পনা কৰা উচিত। হাতত থকা সময়খিনি বিভিন্ন বিষয় অধ্যয়নৰ বাবে সঠিক ৰূপত ভগাই লোৱা উচিত।

❒ সু-স্বাস্থ্য ঃ পৰীক্ষাৰ বাবে পূৰ্ণগতিত প্ৰস্তুতি চলাই থকাৰ সমান্তৰালভাৱে উপযুক্ত জিৰণীৰো প্ৰয়োজন। স্বাস্থ্যসন্মত আহাৰ খোৱাৰ লগতে অলপ-অচৰপ ব্যায়াম কৰিব লাগিব।

সঠিক সময়সূচীৰে ভালদৰে অধ্যয়ন কৰা, শিক্ষকৰ পৰা দিহা-পৰামৰ্শ লোৱা, বাছনিমূলক প্ৰৱেশ পৰীক্ষাৰ প্ৰশ্ন কাকতৰ অনুশীলন কৰাৰ লগতে নিজকে চাপমুক্ত কৰি ৰাখিবলৈ চেষ্টা কৰা।❒❒

# মুখ্য মন্ত্ৰীৰ সৈতে মত বিনিময়ৰ বাবে

ঠিকনা ঃ
মুখ্য মন্ত্ৰীৰ কাৰ্যালয়
চি এম ব্লক
জনতা ভৱন
দিছপুৰ, গুৱাহাটী ঃ ৭৮১০০৬
অসম
ফোন ঃ ০৩৬১-২২৬২২২২ (কাৰ্যালয়), ০৩৬১-২২৩৭০৪৩ (আবাস)

আপোনাৰ মতামত বা পৰামৰ্শ আগবঢ়াওক

| | |
|---|---|
| আই ভি আৰ এছ ফোন নং | : 0361-2313000 |
| ই-মেইল | : cm@assam.gov.in |
| ৱেব ছাইট | : http://www.cm.assam.gov.in |
| ফেচবুক | : https://www.facebook.com/SarbanandaSonowal/ |
| টুইটাৰ | : (@sarbanandsonwal ) https://twitter.com/sarbanandsonwal |

# Interact with Chief Minister

Address:-
Chief Minister Office
CM Block
Janata Bhavan
Dispur, Guwahati:781006
Assam
Phone: 0361-2262222 (O), 0361-2237043(R)

Give your input or suggestion through following channel:-

| | |
|---|---|
| IVRS Phone No | : 0361-2313000 |
| E-mail | : cm@assam.gov.in |
| Web-Site | : http://www.cm.assam.gov.in |
| Facebook | : https://www.facebook.com/SarbanandaSonowal/ |
| Twitter | : (@sarbanandsonwal ) https://twitter.com/sarbanandsonwal |